অধ্যায় ১ ঃ ফলন

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য

1.2 পৰিচয়

1.3 ফলন

1.3.1 ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ

1.4 কেইটামান প্ৰয়োজনীয় ফলন

1.4.1 কেইটামান দৰকাৰী ফলন

1.5 অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

1.6 অগ্ৰগতিৰ খতিয়ান

1.7 অধিক জানিবলৈ

1.8 আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—


- ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াব পাৰিব
- বিভিন্ন ধৰণৰ ফলন সম্বন্ধে বুজিব পাৰিব

১.২ পৰিচয়

গণিতৰ ফলনৰ ধাৰণাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ফলন হ'ল এক বিশেষ ধৰণৰ সম্বন্ধ। এটা ৰাশি আন এটাৰ ওপৰত কেনেদৰে নিৰ্ভৰ কৰে সেইটো ই প্ৰকাশ কৰে।

১.৩ ফলন

ধৰা হ'ল A আৰু B দুটা অৰিক্ত সংহতি আৰু A আৰু B ৰ মৌলবোৰৰ মাজত এটা যোগাযোগ আছে যাতে প্ৰত্যেক $a \in A$ৰ বাবে B ত একমাত্ৰ এটা b আছে। ইয়াক $b = f(a)$, এই ধৰণে লিখা হয়। তেনেহ'লে আমি কওঁ যে f হ'ল A ৰ পৰা B লৈ এটা ফলন (Function) আৰু ইয়াক $f : A \to B$ হিচাপে লিখা হয়।




মন্তব্য ঃ


1) B-ৰ b মৌলটোক f-ৰ অধীনত x অৰ প্ৰতিবিম্ব (Image) বুলি কোৱা হয়।
2) যদি Aত এনে এটা মৌল থাকে, যিটো B-ৰ একাধিক মৌলৰ লগত জড়িত, তেনেহ'লে f ফলন নহয়।
3) যদি Aত এনে এটা মৌল থাকে, যিটো B-ৰ কোনো মৌলৰ লগত জড়িত নহয়, তেনেহ'লে f ফলন নহয়।

উদাহৰণ ঃ

1) যদি A = {a, b, c}, B = {1, 2, 3, 4,} আৰু f(a) = 1, f(b) = 2, f(c) = 3 তেনেহ'লে f ফলন নহয়।



2) যদি A = {a, b}, B = {1, 2, 3} আৰু f(a) = 1, f(b)=2, f(b) = 3 তেনেহ'লে f ফলন নহয়।



১.৩.১ ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ

$f : X \to Y$ এটা ফলন হ'লে, X সংহতিটোক f-ৰ আদিক্ষেত্ৰ (Domain) বোলা হয়।

Yত থকা প্ৰতিবিম্ববোৰৰ সংহতিটোক f-ৰ পৰিসৰ (Range) বোলা হয়। Y সংহতিটোক সহক্ষেত্ৰ (Codomain) বোলে।


স্পষ্টতঃ পৰিসৰ $\subseteq$ সহক্ষেত্ৰ।

উদাহৰণ ঃ ধৰা হ'ল $X = \{0, \pm 1, \pm 2\}$

$Y = \{0, 1, 2, 3, 4\}$

$f : X \to Y$ ফলনটো এনেদৰে সংজ্ঞাৱদ্ধ কৰা হৈছে $f(x) = x^2$

ইয়াত f-ৰ আদিক্ষেত্ৰ = X



f-ৰ পৰিসৰ = {0, 1, 4)

f-ৰ সহক্ষেত্ৰ = Y.

অন্তৰাল ঃ

ধৰা হ'ল, a, b দুটা বাস্তৱ সংখ্যা আৰু a < b.

বন্ধ অন্তৰাল ঃ $\{x : a \le x \le b\}$ সংহতিটোক বন্ধ অন্তৰাল (Closed Interval) বুলি কোৱা হয়। ইয়াক [a, b]ৰে বুজোৱা হয়।

মুক্ত অন্তৰাল ঃ {x : a < x < b} সংহতিটোক মুক্ত অন্তৰাল (Open Interval) বুলি কোৱা হয়। ইয়াক]a, b[বা (a, b)ৰে বুজোৱা হয়।

অর্ধ-মুক্ত বা অর্ধ-বন্ধ অন্তৰাল ঃ $\{a \le x < b\}$ আৰু $\{a < x \le b\}$ সংহতি দুটাক অর্ধ-মুক্ত বা অর্ধ-বন্ধ (Semi-Open or Semi-Closed) অন্তৰাল বুলি কোৱা হয়। ইয়াক যথাক্ৰমে [a, b[আৰু]a, b]ৰে বুজোৱা হয়।

টোকা ঃ বাস্তৱ সংখ্যাৰ সংহতি R হ'ল মুক্ত অন্তৰাল $(-\infty,-\infty)$.

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1 : যদি f : $x \to x+3$ আৰু f অৰ আদিক্ষেত্ৰ = {x : $-2 \le x \le 2$, x এটা অখণ্ড সংখ্যা}, ফলন f আৰু ইয়াৰ পৰিসৰ উলিয়াওক।

সমাধান ঃ ফলনটোৰ আদিক্ষেত্ৰ

= {x :$-2 \le x \le 2$, x এটা অখণ্ড সংখ্যা}

= {–2, –1, 0, 1, 2}

$\because$ f(x) = x+3

$\therefore$ f(–2) = –2+3 = 1

f(–1) = –1+3 = 2

f(0) = 0+3 = 3

f(1) = 1+3 = 4

f(2) = 2+3 = 5

$\therefore$ ফলনটো

f = {(–2, 1), (–1, 2), (0, 3), (1, 4), (2, 5)}

আৰু ইয়াৰ পৰিসৰ = {1, 2, 3, 4, 5)

উদাহৰণ 2 : $f(x) = \frac{x}{1+x^2}$ ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াওক।

সমাধান ঃ দিয়া আছে $f(x) = \frac{x}{1+x^2}$

স্পষ্টতঃ সকলো বাস্তৱ সংখ্যাৰ বাবে f সংজ্ঞাবদ্ধ।

$\therefore$ f-ৰ আদিক্ষেত্ৰ R

ধৰা হ'ল $y = f(x) \Rightarrow y = \frac{x}{1+x^2}$

$\Rightarrow y + yx^2 = x$

$\Rightarrow yx^2 - x + y = 0$

$\therefore \quad (-1)^2 - 4.y.y \geq 0 \ (\because x \in R)$

আৰু $y \neq 0$

$\Rightarrow 1 - 4y^2 \geq 0$ আৰু $y \neq 0$

$\Rightarrow (1+2y)(1-2y) \geq 0$ আৰু $y \neq 0$

$\Rightarrow -\frac{1}{2} \leq y \leq \frac{1}{2}$ আৰু $y \neq 0$

কিন্তু $y = 0$-ৰ পৰা আমি পাওঁ $x = 0$

$y = 0$ বিন্দুটোৱো পৰিসৰত আছে।

f-ৰ পৰিসৰ = $\left[-\frac{1}{2}, \frac{1}{2}\right]$

উদাহৰণ 3 : $f(x) = \frac{1}{2-\sin 3x}$-ৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াওক।

সমাধান ঃ দিয়া আছে $f(x) = \frac{1}{2-\sin 3x}$

$\because -1 \leq \sin x \leq 1, \forall x \in R$

$\therefore 2 - \sin x > 0, \forall x \in R$

$\therefore$ সকলো বাস্তৱ x-ৰ বাবে f সংজ্ঞাৱদ্ধ।

$\therefore$ আদিক্ষেত্ৰ হ'ল R.

ধৰা হ'ল $y = f(x) \Rightarrow y = \frac{1}{2-\sin 3x}$

$\Rightarrow \frac{1}{y} = 2 - \sin 3x \quad [\because y > 0]$

$\Rightarrow \sin 3x = 2 - \frac{1}{y}$

$\Rightarrow x = \frac{1}{3}\sin^{-1}\left(\frac{2y-1}{y}\right)$

$\Rightarrow -1 \leq \frac{2y-1}{y} \leq 1 \quad (\because x \in R)$

$\Rightarrow -y \leq 2y - 1 \leq y \quad (\because y > 0)$

$\Rightarrow 2y - 1 \geq -y$ আৰু $2y - 1 \leq y$

$\Rightarrow 3y \geq 1$ আৰু $y \leq 1$

$\Rightarrow y \geq \frac{1}{3}$ আৰু $y \leq 1$

$\therefore$ পৰিসৰ হ'ল $\left[\frac{1}{3}, 1\right]$

উদাহৰণ 4 : $f(x) = \frac{x}{|x|}$ ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াওক।

সমাধান ঃ দিয়া আছে $f(x) = \frac{x}{|x|}$

0-ৰ বাহিৰে x-ৰ সকলো বাস্তৱ মানৰ বাবে f সংজ্ঞাৱদ্ধ।

$\therefore$ আদিক্ষেত্ৰ হ'ল $R - \{0\}$

আকৌ $f(x) = \frac{x}{|x|}$

$$= \begin{cases} 1 & \text{for } x > 0 \\ -1 & \text{for } x < 0 \end{cases}$$

$\therefore$ f-ৰ পৰিসৰ $\{-1, 1\}$

উদাহৰণ 5 : $f(x) = \frac{x^2 - 3x + 2}{x^2 + x - 6}$ ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াওক।

সমাধান ঃ দিয়া আছে $f(x) = \frac{x^2 - 3x + 2}{x^2 + x - 6}$

স্পষ্টতঃ f সংজ্ঞাৱদ্ধ যদি $x^2 + x - 6 \neq 0$

$\Rightarrow (x + 3)(x - 2) \neq 0$

$\Rightarrow x \neq -3, 2$

$\therefore$ আদিক্ষেত্ৰ হ'ল $R - \{-3, 2\}$

ধৰা হ'ল $y = \frac{x^2 - 3x + 2}{x^2 + x - 6}$

$\Rightarrow x^2y + xy - 6y = x^2 - 3x + 2$

$\Rightarrow (y - 1)x^2 + (y + 3)x - (6y + 2) = 0$

$\because$ x বাস্তৱ

$\therefore (y + 3)^2 - 4(y - 1)\{-(6y + 2)\} \geq 0$

$\Rightarrow y^2 + 6y + 9 + 4(6y^2 - 4y - 2) \geq 0$

$\Rightarrow 25y^2 - 10y + 1 \geq 0$

$\Rightarrow (5y - 1)^2 \geq 0$, আৰু ই y-ৰ সকলো বাস্তৱ মানৰ বাবে সত্য।

$\therefore$ f-ৰ পৰিসৰ R.



CHECK YOUR PROGRESS

প্রশ্ন ১ ঃ $f(x) = \sqrt{2-2x-x^2}$
ফলনৰ আদিক্ষেত্ৰ উলিয়াওক।

প্রশ্ন ২ ঃ $f(x) = \frac{1}{\sqrt{x^2-3x+2}}$ ফলনৰ আদিক্ষেত্ৰ উলিয়াওক।


প্রশ্ন ৩ ঃ $y = \frac{x^2}{1+x^2}$ ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াওক।

প্রশ্ন ৪ ঃ $f(x) = \sin x - \cos x$, ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াওক।


প্রশ্ন ৫ ঃ $f(x) = \frac{x+2}{|x+2|}$ ফলনৰ আদিক্ষেত্ৰ আৰু পৰিসৰ উলিয়াওক।

১.৪ ফলনৰ শ্রেণী বিভাজন

এঁকেকী ফলন ঃ এটা ফলন $f : X \to Y$ক এঁকেকী (One-One বা Injective) বুলি কোৱা হয় যদি X-ৰ পৃথক মৌলৰ Yত থকা প্রতিবিম্ববোৰো পৃথক পৃথক।




বহু এক ফলন ঃ এটা ফলন $f : X \to Y$ক বহু এক (Many one) বুলি কোৱা হয় যদি Xত অন্ততঃ দুটা পৃথক মৌল থাকে যাৰ প্রতিবিম্ব সমান।



আচ্ছাদক ফলন ঃ এটা ফলন $f: X \to Y$ক আচ্ছাদক (Onto বা Surjective) বুলি কোৱা হয় যদি Y-ৰ প্রতিটো মৌল X-ৰ কোনো মৌলৰ প্রতিবিম্ব।

টোকাঃ যিবোৰ ফলন আচ্ছাদক নহয়, সেইবোৰক অনাচ্ছাদক (Into) বুলি কোৱা হয়।

দ্বিমুখী ফলন ঃ এটা ফলন $f : X \to Y$ক দ্বিমুখী (Bijective) বুলি কোৱা হয় যদি ই এঁকেকী আৰু আচ্ছাদক।



টোকা ঃ এটা ফলন প্রতিলোমনীয় (Invertible) যদি ই এৈকেকী আৰু আচ্ছাদক অর্থাৎ দ্বিমুখী।

এটা ফলন এৈকেকী হয়নে নহয় কেনেদৰে পৰীক্ষা কৰিব লাগে ঃ

$f : X \to Y$ ফলনৰ বাবে যদি $f(x) = f(y) \Rightarrow x = y$, তেনেহ'লে f এৈকেকী।

এটা ফলন আচ্ছাদক হয়নে নহয় কেনেদৰে পৰীক্ষা কৰিব লাগে ঃ

$f : X \to Y$ ফলনৰ পৰিসৰ উলিয়াব লাগে।

যদি পৰিসৰ = Y, তেনেহ'লে ফলনটো আচ্ছাদক।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1 : $f(x) = x + \sqrt{x^2}$ ৰ দ্বাৰা সংজ্ঞাৱদ্ধ $f : R \to R$ ফলনটো এৈকেকী আৰু আচ্ছাদক হয় নে নহয় পৰীক্ষা কৰক।

সমাধান ঃ দিয়া আছে, $f(x) = x + \sqrt{x^2}$

$= x + |x|$

এতিয়া $f(-1) = -1 + |-1| = 0$

$f(-2) = -2 + |-2| = 0$

$\therefore f(-1) = f(-2)$ কিন্তু $-1 \neq -2$

$\therefore$ f এৈকেকী নহয়।

আকৌ, f আচ্ছাদকো নহয় কিয়নো $f(x) \geq 0, \ \forall x \in R$

আৰু পৰিসৰ $\neq$ সহক্ষেত্ৰ।

উদাহৰণ 2 : $f(x) = \dfrac{x-3}{x+1}$ -ৰ দ্বাৰা সংজ্ঞাৱদ্ধ $f : R - \{1\} \to R - \{1\}$ ফলনটো দ্বিমুখী বুলি দেখুৱাওক।

সমাধান ঃ ধৰা হ'ল $x, y \in R - \{1\}$ যাতে $f(x) = f(y)$

এতিয়া $f(x) = f(y) \Rightarrow \dfrac{x-3}{x+1} = \dfrac{y-3}{y+1}$

$\Rightarrow xy + x - 3y - 3 = xy - 3x + y - 3$

$\Rightarrow x - 3y = -3x + y$

$\Rightarrow 4x = 4y$

$\Rightarrow x = y$

$\therefore$ f এৈকেকী

আকৌ ধৰা হ'ল $y \in R - \{1\}$ এটা স্বেচ্ছ মৌল।

$$\therefore f(x) = y \Rightarrow \frac{x-3}{x+1} = y$$

$$\Rightarrow xy + y = x - 3$$

$$\Rightarrow x(y-1) = -(y+3)$$

$$\Rightarrow x = \frac{y+3}{1-y} \in R, \forall y \in R - \{1\}$$


$\therefore$ f আচ্ছাদক।

$\therefore$ f একৈকী আৰু আচ্ছাদক অর্থাৎ f এটা দ্বিমুখী ফলন।

টোকা ঃ যিহেতু f এটা দ্বিমুখী ফলন, গতিকে $f^{-1} : R - \{1\} \to R - \{1\}$ স্থিত হয় আৰু ই এনেদৰে সংজ্ঞাৰদ্ধ $f^{-1}(x) = \frac{x+3}{1-x}$


১.৪.১ কেইটামান দৰকাৰী ফলন

ধ্ৰুৱক ফলন ঃ এটা ফলন $f : R \to R$ক ধ্ৰুৱক ফলন (Constant Function) বুলি কোৱা হয় $f(x) = a, \ \forall x \in R$ আৰু a ধ্ৰুৱক।



টোকা ঃ ধ্ৰুৱক ফলনৰ লেখ হ'ল x-অক্ষৰ সমান্তৰাল এডাল ৰেখা। ধ্ৰুৱক ফলনৰ পৰিসৰ এটা একমৌল সংহতি (Singleton Set).

একক ফলন ঃ এটা ফলন $f : R \to R$ক একক ফলন (Identity Function) বুলি কোৱা হয় যদি $f(x) = x, \ \forall x \in R$. ইয়াৰ আদিক্ষেত্ৰ R আৰু পৰিসৰো R.





টোকা ঃ একক ফলনৰ লেখ মূল বিন্দুৰ মাজেৰে যোৱা আৰু x-অক্ষৰ লগত 45^0 কোণ কৰা এডাল সৰল ৰেখা।

বহুপদ ফলন ঃ এটা ফলন $f : R \to R$ অক বহুপদ ফলন (Polynomial Function) বুলি কোৱা হয়। যদি $f(x) = a_0 + a_1x + a_2x^2 + \ldots\ldots\ldots + a_nx^n$, য'ত $n \in N$ আৰু $a_0, a_1, a_2, \ldots, a_n \in R$, $(a_n \neq 0)$. n অক বহুপদটোৰ মাত্রা (degree) বুলি কোৱা হয়। বহুপদ ফলনৰ আদিক্ষেত্র হ'ল R.

ঘাতাঙ্কীয় ফলন ঃ


ধৰা হ'ল x এটা ধনাত্মক বাস্তৱ সংখ্যা (এক নহয়)। তেনেহ'লে $f :]0, \infty[\to R$, $f(x) = \log_e x$ ফলনক ঘাতাঙ্কীয় ফলন (Logarithmic Function) বুলি কোৱা হয়।






মন্তব্য ঃ $\log_e x$ক lnx-ৰ দ্বাৰাও বুজোৱা হয়।

সূচকীয় ফলন ঃ ধৰা হ'ল a এটা ধনাত্মক বাস্তৱ সংখ্যা (এক নহয়)। তেনেহ'লে $f : R \to R$, $f(x) = a^x$ ফলনটোক সূচকীয় ফলন বোলা হয়।





স্পষ্ট ফলন আৰু অন্তর্নিহিত ফলন ঃ এটা ফলন yক x-ৰ স্পষ্ট ফলন (Explicit Function) বুলি কোৱা হয়, যদিহে পৰতন্ত্র চলক yক স্বতন্ত্র চলক x-ৰ সহায়ত সম্পূর্ণ ৰূপে প্রকাশ কৰিব পাৰি। উদাহৰণ স্বৰূপে, $y = \cos^2 x$, $x \in R$, $y = \log x + 2e^{3x} - x^3$; $x > 0$. যেতিয়া x আৰু y চলক দুটা $f(x, y) = 0$ সমীকৰণত এনেদৰে জড়িত হৈ থাকে যে yক স্পষ্টভাৱে x-ৰ সহায়ত প্রকাশ কৰিব নোৱাৰি, তেনেহ'লে yক x-ৰ অন্তর্নিহিত ফলন (Implicit Function) বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, $xy = \sin(x+y)$, $e^{xy} + \cos x + x^2y - 1 = 0$.

অযুগ্ম ফলন ঃ এটা ফলন fক অযুগ্ম ফলন (Odd Function) বুলি কোৱা হয় যদি f-ৰ আদিক্ষেত্রৰ সকলো x-ৰ বাবে $f(-x) = -f(x)$. উদাহৰণ স্বৰূপে, $f(x) = \sin x$, $f(x) = x^3 + x$.

যুগ্ম ফলন ঃ এটা ফলন fকি যুগ্ম ফলন (Even Function) বুলি কোৱা হয় যদি f-ৰ আদিক্ষেত্ৰৰ সকলো x-ৰ বাবে f(–x) = f(x). উদাহৰণ স্বৰূপে,

$f(x) = \cos x$, $f(x) = x^4 - 2x^2 + 2$.

নিৰপেক্ষ মান ফলন ঃ

$f(x) = x$, যদি $x \geq 0$ = –x যদি x < 0-ৰ দ্বাৰা সংজ্ঞাৱদ্ধ f ফলনটোক নিৰপেক্ষ মান ফলন (Absolute Value or Modulus Function) বুলি কোৱা হয়।

ইয়াক $|x|$ ৰে বুজোৱা হয়, অর্থাৎ $|x| = x$, যদি $x \geq 0$ = –x যদি x < 0

তলত প্ৰমাণ ব্যতিৰেকে উপপাদ্যকেইটা উল্লেখ কৰা হ'ল।

উপপাদ্য ঃ ধৰা হ'ল a, b দুটা বাস্তৱ সংখ্যা।

i) $|a+b| \leq |a| + |b|$

ii) $\big||a| - |b|\big| \leq |a-b|$

iii) $|a-b| \leq k \Leftrightarrow b-k \leq a \leq b+k$

iv) $|ab| = |a||b|$

v) $\left|\frac{a}{b}\right| = \frac{|a|}{|b|}, b \neq 0$

টোকা ঃ নিৰপেক্ষ মান ফলন এটা যুগ্ম ফলন, কিয়নো

$f(x) = |x| = |-x| = f(-x)$.



১.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- ফলন হ'ল এটা বিশেষ ধৰণৰ সম্বন্ধ। এটা ৰাশি আন এটা ৰাশিৰ ওপৰত কেনেদৰে নির্ভৰশীল সেয়া ই দেখুৱায়।
- এটা ফলনৰ পৰিসৰ,সহক্ষেত্ৰত সমান হ'লে ফলনটো আচ্ছাদক (Onto বা Surjective), অন্যথাই ই আচ্ছাদক নহয়।
- যদি $f : X \to Y$ এটা এক-এক ফলন যাতে X আৰু Y-ৰ মৌলৰ সংখ্যা সমান (X আৰু Y সসীম), তেনেহ'লে f আচ্ছাদক।
- যুগ্ম ফলনৰ লেখ y-অক্ষ সাপেক্ষে প্ৰতিসম (Symmetrical)।
- অযুগ্ম ফলনৰ লেখ মূল বিন্দু সাপেক্ষে প্ৰতিসম আৰু ই হয়তো প্ৰথম আৰু তৃতীয় চোকত নতুবা দ্বিতীয় আৰু চতুর্থ চোকত থাকে।
- f(x) = 0 ফলনটোৰেই একমাত্ৰ ফলন যিটো যুগ্মও আৰু অযুগ্মও।

১.৬ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে $f(x) = \sqrt{2 - 2x - x^2}$

$\therefore 2 - 2x - x^2 \geq 0$

$\Rightarrow x^2 + 2x - 2 \leq 0$

$\Rightarrow (x+1)^2 - 3 \leq 0$

$\Rightarrow \left(x + 1 + \sqrt{3}\right)\left(x + 1 - \sqrt{3}\right) \leq 0$

$\Rightarrow -1 - \sqrt{3} \leq x \leq -1 + \sqrt{3}$

$\therefore$ f-ৰ আদিক্ষেত্ৰ হ'ল $\left[-1 - \sqrt{3},\ -1 + \sqrt{3}\right]$

২নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে $f(x) = \dfrac{1}{\sqrt{x^2 - 3x + 2}}$

$\therefore x^2 - 3x + 2 > 0$

$\Rightarrow (x-1)(x-2) > 0$

$\Rightarrow x < 1$ or $x > 2$

$\therefore$ আদিক্ষেত্ৰ হ'ল $]-\infty, 1[\cup]2, \infty]$

৩নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে $y = \dfrac{x^2}{1 + x^2}$

স্পষ্টতঃ, সকলো বাস্তৱ x-ৰ বাবে y সংজ্ঞাৱদ্ধ।

$\therefore$ আদিক্ষেত্ৰ হ'ল R

আকৌ, $y = \dfrac{x^2}{1 + x^2} \Rightarrow y + yx^2 = x^2$

$\Rightarrow x^2 (1 - y) = y$

$\Rightarrow x = \sqrt{\dfrac{y}{1 - y}}$

$\Rightarrow x = \sqrt{\dfrac{y(1-y)}{(1-y)^2}}$

$\Rightarrow x = \dfrac{\sqrt{y(1-y)}}{1-y}$

x বাস্তৱ হ'বলৈ হ'লে, $1 - y \neq 0$ আৰু $y(1-y) \geq 0$

$\Rightarrow y \neq 1$ আৰু $0 \leq y \leq 1$

$\Rightarrow 0 \leq y < 1$

$\therefore$ পৰিসৰ হ'ল [0, 1]

৪নং প্রশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x) = \sin x - \cos x$

$$= \sqrt{2}\left(\frac{1}{\sqrt{2}}\sin x - \frac{1}{\sqrt{2}}\cos x\right)$$

$$= \sqrt{2}\left(\cos\frac{\pi}{4}\sin x - \sin\frac{\pi}{4}\cos x\right)$$

$$\therefore f(x) = \sqrt{2}\sin\left(x - \frac{\pi}{4}\right)$$

স্পষ্টতঃ, x-ৰ সকলো বাস্তৱ মানৰ বাবে f(x) সংজ্ঞাৱদ্ধ।

$\therefore$ f-ৰ আদিক্ষেত্ৰ হ'ল R

ধৰা হ'ল, $y = f(x) \Rightarrow y = \sqrt{2}\sin\left(x - \frac{\pi}{4}\right)$

$$\Rightarrow \sin^{-1}\frac{y}{\sqrt{2}} = x - \frac{\pi}{4}$$

$$\Rightarrow x = \frac{\pi}{4} + \sin^{-1}\frac{y}{\sqrt{2}}$$

$\because x \in R,\ -1 \le \frac{y}{\sqrt{2}} \le 1$

$$\Rightarrow -\sqrt{2} \le y \le \sqrt{2}$$

$\therefore$ f-ৰ পৰিসৰ $\left[-\sqrt{2}, \sqrt{2}\right]$

Ans. to Q. No. 5: দিয়া আছে, $f(x) = y = \frac{x+2}{|x+2|}$

স্পষ্টতঃ $x = -2$-ৰ বাহিৰে x-ৰ সকলো বাস্তৱ মানৰ বাবে f(x) সংজ্ঞাৱদ্ধ।

$\therefore$ f-ৰ আদিক্ষেত্ৰ = $R - \{-2\}$

আকৌ $f(x) = \frac{x+2}{|x+2|}$

$$= \begin{cases} 1 & \text{if } x > -2 \\ -1 & \text{if } x < -2 \end{cases}$$

$\therefore$ f-ৰ পৰিসৰ হ'ল $\{-1, 1\}$



১.৬ অধিক জানিবলৈ

1) Gupta, Sudhir (2011) (1st edition): *Basics of Differentential Calculus*; New Delhi: Anmol publication Pvt. Ltd.

2) Habib, Amber (2011) (1st edition): *The Calculus of Finance*; Hyderabad: Universities Press India Pvt. Ltd.

3) Maron, I. A. (1993) (1st edition): *Problems in Calculus of One Variable*; New Delhi: CBS Publishers & Distributors Pvt. Ltd.

4) Sharma, A. K. (2004) (1st edition): *Text Book of Differential Calculus for B.A., B.Sc., B.Com., I.A.S., P.C.S.*; New Delhi: Discovery Publishing House.



১.৭ অধিক জানিবলৈ

প্রশ্ন ১ ঃ তলত দিয়া ফলনবোৰৰ আদিক্ষেত্র নির্ণয় কৰক।

i) $f(x) = \frac{x}{x^2 - 3x + 2}$ ii) $f(x) = \frac{x^2 - 5x + 3}{x^2 - 1}$

iii) $f(x) = \frac{x + 7}{x^2 - 5x + 4}$ iv) $f(x) = \frac{x}{x^2 - 3x + 2}$

v) $f(x) = \frac{1}{5 - \cos x}$

প্রশ্ন ২ ঃ তলত দিয়া ফলনবোৰৰ আদিক্ষেত্র আৰু পৰিসৰ নির্ণয় কৰক।

i) $f(x) = 1 - |x - 3|$ ii) $f(x) = \frac{1}{\sqrt{x + 3\sin x}}$

iii) $f(x) = 1 + 3\cos 2x$ iv) $f(x) = \frac{x^2 - 9}{x - 3}$

v) $f(x) = \frac{4 - x}{x - 4}$ vi) $f(x) = \frac{1}{2 - \cos 3x}$

vi) $f(x) = \frac{ax + b}{bx - a}$

প্রশ্ন ৩ ঃ $f(x) = \sqrt{x^2 - 6x + 5}$ ফলনৰ আদিক্ষেত্র নির্ণয় কৰক।

*** ***** ***

অধ্যায় ২ ঃ ফলনৰ সীমা

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 ফলনৰ সীমা

2.3.1 ফলনৰ সীমা উলিওৱাৰ পদ্ধতি

2.3.2 কেইটামান প্ৰয়োজনীয় সীমা

2.3.3 সোঁহতীয়া আৰু বাঁওহতীয়া সীমা

2.4 অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

2.5 অগ্ৰগতিৰ খতিয়ান

2.6 অধিক জনিবলৈ

2.7 আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- নিৰ্দিষ্ট ফলনৰ সীমা নিৰ্ণয় কৰিব পাৰিব
- বাঁওহতীয়া সীমা আৰু সোঁহতীয়া সীমাৰ মাজৰ পাৰ্থক্য অনুধাৱন কৰিব পাৰিব।

২.২ পৰিচয়


ফলন গণিত অধ্যয়নৰ বাবে সীমাৰ ধাৰণা অপৰিহাৰ্য। এটা বিশেষ মানৰ একেবাৰে ওচৰত স্বতন্ত্ৰ চলকে কেনেধৰণৰ মান লয়, তাৰ প্ৰকৃতি জানিবলৈ সীমাৰ ধাৰণাই সহায় কৰে।

২.৩ ফলনৰ সীমা

$f(x) = \frac{x^2 - 4}{x - 2}$ ফলনৰ লেখ মোটামুটিভাৱে অঁকা হ'ল।

x	0	1	$1\frac{1}{2}$	2	$2\frac{1}{2}$	3	4
y	2	3	$3\frac{1}{2}$	সংজ্ঞাৱদ্ধ নহয়	$4\frac{1}{2}$	5	6

লেখটোৰ পৰা তলৰ কথাকেইটা আমাৰ দৃষ্টিগোচৰ হয়।



i) f(2) সংজ্ঞাৱদ্ধ নহয়।

ii) x = 2ৰ দুয়োকাষে লেখটোত কোনোধৰণৰ বিচ্ছিন্নতা নাই।

iii) x-ৰ মান 2-ৰ একেবাৰে সমীপত ল'লে f(x) আৰু 4-ৰ মাজৰ পার্থক্য যিমান সৰু ইচ্ছা সিমান সৰু কৰিব পাৰি।

iv) দুয়োপিনৰ পৰা x, 2-ৰ ওচৰলৈ চাপি গ'লে f(x), 4-ৰ ওচৰলৈ যায়।

x = 2-ৰ সামীক্যত আমি ফলনটোৰ প্রকৃতি আলোচনা কৰোঁহক।

$x \neq 2$ হ'লে,, $f(x) = \frac{(x-2)(x+2)}{(x-2)}$

$\Rightarrow f(x) = x + 2, x \neq 2$

$\therefore f(x) - 4 = x - 2$

$\Rightarrow |f(x) - 4| = |x - 2|$

যদি আমি x এনেদৰে লওঁ যে $|x-2| < 0.1$, তেনেহ'লে $|f(x) - 4| < 0.1$.

যদি আমি x এনেদৰে লওঁ যাতে $|x-2| < 0.001$, তেনেহ'লে $|f(x)-4| < 0.1$.

যদি আমি x এনেদৰে লওঁ যাতে $|x-2| < 0.00001$, তেনেহ'লে $|f(x) - 4| < 0,001$.

ইয়াৰ পৰা উক্তি (iii) সত্য বুলি প্রতীয়মান হয়। ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে $|f(x)-4|$-ৰ মান যিমান ইচ্ছা সিমান সৰু কৰিবলৈ হ'লে $|x-2|$-ৰ মান যথেষ্ট সৰু কৰি ল'ব পাৰি।

$\therefore$ x, 2-ৰ ওচৰ চাপি গ'লে f(x), 4-ৰ ওচৰ চাপি যায়।

ফলনৰ সীমাৰ সংজ্ঞা ঃ

ধৰা হ'ল a-ৰ সমীপত f ফলনটো সংজ্ঞাৱদ্ধ। x, a কাষ চাপি গ'লে ফলনটো সীমা (Limit) A-ৰ কাষ চাপি যোৱা বুলি কোৱা হয় যদি $|x-a|$ যথেষ্ট সৰু কৰি পার্থক্য $|f(x) - A|$ যিমান ইচ্ছা সিমান সৰু কৰিব পাৰি।

প্রতীকৰ সহায়ত এইটো এনেদৰে লিখা হয় $\lim_{x \to a} f(x) = A$

উপৰিউক্ত উক্তিটো আৰু অধিক তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰি।

x, a-ৰ কাষ চাপি গ'লে A সংখ্যাটোক f(x)-ৰ সীমা বুলি কোৱা হয় যদি এটা স্বেচ্ছ ক্ষুদ্র ধনাত্মক সংখ্যা $\in$-ৰ বাবে আন এটা ক্ষুদ্র সংখ্যা $\delta > 0$ উলিয়াব পাৰি যাতে x-ৰ যিবোৰ মানে $0 < |x - a| < \delta$ মানি চলে তাৰ বাবে $|f(x)-A| < \in$.

তলত আমি প্রমাণ ব্যতিৰেকে সীমা সম্বন্ধীয় উপপাদ্য কেইটা উল্লেখ কৰিলোঁ।

i) $\lim_{x \to a} f(x)$, যদি স্থিত হয়, তেনেহ'লে ই একমাত্র এটা (Unique)

যদি $\lim_{x \to a} f(x) = l$ আৰু $\lim_{x \to a} g(x) = m$, তেনেহ'লে

ii) $\lim_{x\to a}(f(x)\pm g(x)) = \lim_{x\to a} f(x) \pm \lim_{x\to a} g(x) = l \pm m$

iii) $\lim_{x\to a}(f(x).g(x)) = \left(\lim_{x\to a} f(x)\right).\left(\lim_{x\to a} g(x)\right) = l.m$

iv) $\lim_{x\to a}\left(\frac{f(x)}{g(x)}\right) = \frac{\lim_{x\to a} f(x)}{\lim_{x\to a} g(x)} = \frac{l}{m}$, where $m \neq 0$.

২.৩.১ ফলনৰ সীমা উলিওৱাৰ পদ্ধতি

ক্ষেত্ৰ I : পৰিমেয় ফলন ঃ x-ৰ পৰিমেয় ফলন হ'ল এনেধৰণৰ $h(x) = \frac{f(x)}{g(x)}$.

যেতিয়া $f(a) = 0$ আৰু $g(a) = 0$, $f(x)$ আৰু $g(x)$-ৰ উৎপাদক বিশ্লেষণ কৰিব লাগে আৰু যিটো উৎপাদকে $f(x)$ আৰু $g(x)$ শূন্য কৰে সেইটোৰে হৰণ কৰিব লাগে। তাৰ পাছত $\lim_{x\to a} f(x)$ আৰু $\lim_{x\to a} g(x)$ উলিয়াব লাগে।

উদাহৰণ 1: মান নিৰ্ণয় কৰক— $\lim_{x\to 3} \frac{x^2+x-12}{x-3}$

সমাধান ঃ

$$\lim_{x\to 3} \frac{x^2+x-12}{x-3} = \lim_{x\to 3} = \frac{(x-3)(x+4)}{(x-3)} = \lim_{x\to 3}(x+4) = 7$$

উদাহৰণ 2: মান নিৰ্ণয় কৰক— $\lim_{x\to 0} \frac{(1+x)^{\frac{1}{n}}-1}{x}$

সমাধান ঃ $\lim_{x\to 0} \frac{(1+x)^{\frac{1}{n}}-1}{x}$

$$= \lim_{x\to 0} \frac{(1+\frac{1}{n}x + \frac{\frac{1}{n}\left(\frac{1}{n}-1\right)}{2!}x^2 + ...) - 1}{x}$$

$$= \lim_{x\to 0}\left[\frac{1}{n} + \frac{1}{n}\left(\frac{1}{n}-1\right).\frac{x}{2} + x\text{-ৰ উচ্চতৰ ঘাত বিশিষ্ট পদবোৰ}\right]$$

$$= \frac{1}{n}$$

ক্ষেত্ৰ II: অপৰিমেয় ফলন ঃ

যদি $h(x) = \frac{f(x)}{g(x)}$, হৰ বা লবক কৰণীমুক্ত কৰক আৰু সীমা নিৰ্ণয় কৰক।

উদাহৰণ 3: মান নিৰ্ণয় কৰক— $\lim_{x \to 0} \frac{\sqrt{1+x} - \sqrt{1-x}}{x}$

সমাধান ঃ $\lim_{x \to 0} \frac{\sqrt{1+x} - \sqrt{1-x}}{x}$

$$= \lim_{x \to 0} \frac{(1+x)-(1-x)}{x\left(\sqrt{1+x} + \sqrt{1+x}\right)}$$

$$= \lim_{x \to 0} \frac{2x}{x\left(\sqrt{1+x} + \sqrt{1-x}\right)}$$

$$= \lim_{x \to 0} \frac{2}{\sqrt{1+x} + \sqrt{1-x}}$$

$$= \frac{2}{1+1}$$

$$= 1$$

উদাহৰণ 4: মান নিৰ্ণয় কৰক— $\lim_{x \to 0} \frac{x}{\sqrt{1+x} - 1}$

সমাধান ঃ $\lim_{x \to 0} \frac{x}{\sqrt{1+x} - 1}$

$$= \lim_{x \to 0} \frac{x\left(\sqrt{1+x} + 1\right)}{1+x-1}$$

$$= \lim_{x \to 0} \frac{x\left(\sqrt{1+x} + 1\right)}{x}$$

$$= \lim_{x \to 0} \frac{\sqrt{1+x} + 1}{1}$$

$$= 1 + 1$$

$$= 2$$

ক্ষেত্ৰ III: যেতিয়া $x \to \infty$, লব আৰু হৰ উভয়কে x-ৰ সৰ্বোচ্চ ঘাতেৰে হৰণ কৰক। $x = \frac{1}{z}$ বহুৱাওক। যেতিয়া $x \to \infty$, তেতিয়া $z \to 0$. পাছত ক্ষেত্ৰ I বা ক্ষেত্ৰ II-ৰ দৰে কৰি যাওক।

উদাহৰণ 5: মান নির্ণয় কৰক— $\lim_{x \to \infty} \frac{3x^2+7x+1}{3x^2+2x+7}$

সমাধান ঃ $\lim_{x \to \infty} \frac{3x^2+7x+1}{3x^2+2x+7}$

$$= \lim_{x \to \infty} \frac{3+\frac{7}{x}+\frac{1}{x^2}}{3+\frac{2}{x}+\frac{7}{x^2}}$$

$$= \lim_{z \to 0} \frac{3+7z+z^2}{3+2z+7z^2} \qquad \left[\begin{array}{l} \text{Let } x = \frac{1}{z} \\ \because x \to \infty \therefore z \to 0 \end{array}\right]$$

$$= \frac{3+0+0}{3+0+0}$$

$$= \frac{3}{3} = 1$$

$$= 1$$

ক্ষেত্র IV: অধোলিখিত প্রসাৰণবোৰৰ সহায়ত কিছুমান সীমা নির্ণয় কৰিব পাৰি।

1) $(x+a)^n = x^n + nx^{n-1}a + \frac{n(n-1)}{2!}x^{n-2}a^2 + \ldots\ldots\ldots + a^n [n \in N]$

2) $e^x = 1 + x + \frac{x^2}{2!} + \frac{x^3}{3!} + \ldots\ldots\ldots\infty, \forall x \in R$

3) $a^x = 1 + x\log_e a + \frac{x^2(\log_e a)^2}{2!} + \ldots\ldots\ldots\infty, a > 0, a \neq 1, x \in R$

4) a) $\log(1+x) = x - \frac{x^2}{2} + \frac{x^3}{3} - \ldots\ldots\ldots\infty,\ -1 < x \leq 1$

b) $\log(1-x) = -x - \frac{x^2}{2} - \frac{x^3}{3} - \ldots\ldots\ldots\infty,\ -1 < x \leq 1$

5) $\cos x = 1 - \frac{x^2}{2!} + \frac{x^4}{4!} - \ldots\ldots\ldots\infty$

6) $\sin x = x - \frac{x^3}{3!} + \frac{x^5}{5!} - \ldots\ldots\ldots\infty$

উদাহৰণ 6: মান নির্ণয় কৰক— $\lim_{x \to 0} \frac{a^x - 1}{x}$

সমাধান ঃ $\lim_{x \to 0} \frac{a^x - 1}{x}$

$$= \lim_{x \to 0} \frac{\left\{1 + x\log a + \frac{x^2(\log a)^2}{2!} + ...\infty\right\} - 1}{x}$$

$$= \lim_{x \to 0} \frac{1}{x}\left[x\log a + \frac{x^2}{2!}(\log a)^2 + ...\infty\right]$$

$$= \lim_{x \to 0}\left[\log a + \frac{x}{2!}(\log a)^2 + x\text{-ৰ উচ্চতৰ ঘাত বিশিষ্ট পদবোৰ}\right]$$

= log a.

উদাহৰণ 7: মান নির্ণয় কৰক– $\lim_{x \to 1} \frac{\log x}{x - 1}$

সমাধান ঃ $\lim_{x \to 1} \frac{\log x}{x - 1}$

$$= \lim_{h \to 0} \frac{\log(1+h)}{h} \qquad \left[\begin{matrix}\text{Let } x = 1 + h \\ \because x \to 1 \ \therefore h \to 0\end{matrix}\right]$$

$$= \lim_{h \to 0} \frac{h - \frac{h^2}{2} + \frac{h^3}{3} - .....\infty}{h}$$

$$= \lim_{h \to 0}\left[1 - \frac{h}{2} + h\text{-ৰ উচ্চতৰ ঘাত বিশিষ্ট পদবোৰ}\right]$$

= 1

২.৩.২ কেইটামান প্রয়োজনীয় সীমা

1) $\lim_{x \to 0} \frac{\sin x}{x} = 1$ (x-ৰ মান ৰেডিয়ানত আছে)

2) $\lim_{x \to \infty} \left(1 + \frac{1}{x}\right)^x = e$

3) $\lim_{x \to 0} (1 + x)^{\frac{1}{x}} = e$

4) $\lim_{x \to a} \frac{x^n - a^n}{x - a} = na^{n-1}$; a > 0 আৰু n এটা পৰিমেয় সংখ্যা

5) $\lim_{x\to 0}\frac{a^x-1}{x}=\log_e a,\quad a>0,\ a\neq 1$

6) $\lim_{x\to 0}\frac{e^x-1}{x}=1$

7) $\lim_{x\to 0}\frac{\log(1+x)}{x}=1$

8) $\lim_{x\to 0}\frac{\log(1-x)}{x}=-1.$

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: $\lim_{x\to 0}\frac{\sin^{-1}x}{x}$ উলিয়াওক।

সমাধান ঃ ধৰা হ'ল $\sin^{-1}x=y \quad \therefore x=\sin y$

$\because x\to 0 \quad \therefore y\to 0$

$$\therefore \lim_{x\to 0}\frac{\sin^{-1}x}{x}=\lim_{y\to 0}\frac{y}{\sin y}=\frac{1}{\lim_{y\to 0}\frac{\sin y}{y}}=\frac{1}{1}=1$$

উদাহৰণ 2: $\lim_{x\to 0}\frac{\sin ax}{\sin bx}$ নির্ণয় কৰক।

সমাধান ঃ $\lim_{x\to 0}\frac{\sin ax}{\sin bx}=\lim_{x\to 0}\frac{\frac{\sin ax}{ax}.ax}{\frac{\sin bx}{bx}.bx}$

$$=\lim_{x\to 0}\left[\frac{\frac{\sin ax}{ax}}{\frac{\sin bx}{bx}}.\frac{a}{b}\right]$$

$$=\frac{a}{b}.\frac{\lim_{ax\to 0}\frac{\sin ax}{ax}}{\lim_{bx\to 0}\frac{\sin bx}{bx}}\quad\left[\begin{matrix}x\to 0\\ \Rightarrow ax\to 0 \quad bx\to 0\end{matrix}\right]$$

$$=\frac{a}{b}.\frac{1}{1}$$

$$=\frac{a}{b}$$

উদাহৰণ 3: মান নির্ণয় কৰক— $\lim_{x \to 2} \frac{x^{10} - 1024}{x^5 - 32}$

সমাধান ঃ $\lim_{x \to 2} \frac{x^{10} - 1024}{x^5 - 32}$

$$= \lim_{x \to 2} \frac{x^{10} - 2^{10}}{x^5 - 2^5}$$

$$= \lim_{x \to 2} \left[\frac{\frac{x^{10} - 2^{10}}{x - 2}}{\frac{x^5 - 2^5}{x - 2}} \right] = \frac{\lim_{x \to 2} \frac{x^{10} - 2^{10}}{x - 2}}{\lim_{x \to 2} \frac{x^5 - 2^5}{x - 2}}$$

$$= \frac{10 \times 2^{10-1}}{5 \times 2^{5-1}}$$

$$= \frac{2^{10}}{2^4} = 64$$

উদাহৰণ 4 : মান নির্ণয় কৰক— $\lim_{x \to \infty} \left(1 + \frac{2}{x}\right)^{3x}$


সমাধান ঃ $\lim_{x \to \infty} \left(1 + \frac{2}{x}\right)^{3x}$

$$= \lim_{x \to \infty} \left(1 + \frac{1}{\frac{x}{2}}\right)^{\frac{x}{2} \cdot 6}$$

$$= \left[\lim_{x \to \infty} \left(1 + \frac{1}{\frac{x}{2}}\right)^{\frac{x}{2}} \right]^6$$

$$= \left[\lim_{y \to \infty} \left(1 + \frac{1}{y}\right)^{y} \right]^6 \qquad \left[\frac{x}{2} = y \;\; \because x \to \infty \;\; \therefore y \to \infty \right]$$

$= e^6$



অগ্রগতি নিৰীক্ষণ

অধোলিখিতবোৰ নির্ণয় কৰক—

প্ৰশ্ন ১ঃ $\lim_{x \to 0} \frac{\sqrt{1+x}-\sqrt{1+x^2}}{x}$ **প্ৰশ্ন ২ঃ** $\lim_{x \to 3} \frac{x^5-243}{x^3-27}$

প্ৰশ্ন ৩ঃ $\lim_{x \to \infty} \frac{4x^3-2x^2+6}{6x^3+5x+1}$ **প্ৰশ্ন ৪ঃ** $\lim_{x \to 0} \frac{\sin x^0}{x}$

প্ৰশ্ন ৫ঃ $\lim_{x \to 0} \frac{\log(1+x)}{x}$ **প্ৰশ্ন ৬ঃ** $\lim_{x \to 1} \frac{(2x-3)\left(\sqrt{x}-1\right)}{2x^2+x-3}$

প্ৰশ্ন ৭ঃ $\lim_{x \to 0} \frac{e^{ax}-e^{bx}}{x}$ **প্ৰশ্ন ৮ঃ** $\lim_{x \to 0} \frac{e^{x}+e^{-x}-2}{x^2}$

২.৩.৩ সোঁহতীয়া আৰু বাঁওহতীয়া সীমা

$x \to a$ হ'লে f(x)-ৰ সীমা সংজ্ঞাৱদ্ধ কৰোঁতে আমি a-ৰ সন্নিকটত f(x) ফলনটোৰ প্ৰকৃতি বিবেচনা কৰিছোঁ। যদি আমি $x > a$ বা $x < a$-ৰ বাবে ফলনটোৰ প্ৰকৃতি বিবেচনা কৰোঁ, তেনেহ'লে আমি যথাক্ৰমে x, সোঁফালৰ পৰা (বা ওপৰৰ পৰা) বা বাঁওফালৰ পৰা (বা তলৰ পৰা) a-ৰ ওচৰ চপা বুলি কওঁ।

ইয়াক $x \to a+0$ বা $x \to a-0$ হিচাপে প্ৰকাশ কৰা হয়।

এই সীমাবোৰৰ একপক্ষীয় সীমা বুলি কোৱা হয়।

সোঁহতীয়া সীমা (The Right Hand Limit/RHL): $x \to a$ হ'লে এটা ফলন f(x) ওপৰৰ পৰা বা সোঁফালৰ পৰা সীমা l অৰ ওচৰলৈ যায় যদি প্ৰত্যেক $\varepsilon > 0$-ৰ বাবে, এনে $\delta > 0$ থাকে যাতে $|f(x)-l| < \in$, যেতিয়া $a < x < a+\delta$.

প্ৰতীকৰ সহায়ত ইয়াক এনেদৰে লিখা হয় ঃ $\lim_{x \to a+0} f(x) = l$

বাঁওহতীয়া সীমা (The Left Hand Limit/LHL) : $x \to a$ হ'লে এটা ফলন f(x) তলৰ পৰা বা বাঁওফালৰ পৰা সীমা l-ৰ ওচৰলৈ যায় যদি প্ৰত্যেক $\varepsilon > 0$-ৰ বাবে, এনে $\delta > 0$ থাকে যাতে $|f(x)-l| < \in$ যেতিয়া $a-\delta < x < a$.

প্ৰতীকৰ সহায়ত ইয়াক এনেদৰে লিখা হয় ঃ $\lim_{x \to a-0} f(x) = l$

টোকা ঃ $x \to a$ হ'লে এটা ফলন f(x) সীমা l-ৰ ওচৰলৈ যায় যদি সোঁহতীয়া আৰু বাঁওহতীয়া দুয়োটা সীমাই স্থিত হয় আৰু প্ৰত্যেকেই l-ৰ সমান।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1 : ধৰা হ'ল $f(x)=\frac{|x|}{x}$, দেখুওৱাক যে $\lim_{x\to 0} f(x)$ স্থিত নহয়।

সমাধান ঃ দিয়া আছে, $f(x)=\frac{|x|}{x}$

$$\text{R.H.L.} = \lim_{x\to 0+0} f(x) = \lim_{x\to 0+0} \frac{|x|}{x}$$

$$= \lim_{x\to 0+0} \frac{x}{x} \qquad [\because |x| = x \text{ যেতিয়া } x>0]$$

$$= 1$$

$$\text{L.H.L.} = \lim_{x\to 0+0} f(x) = \lim_{x\to 0+0} \frac{|x|}{x}$$

$$= \lim_{x\to 0+0} \frac{-x}{x} \qquad [\because |x| = -x \text{ যেতিয়া } x<0]$$

$$= -1$$

$\therefore$ R. H. L. $\neq$ L. H. L.

$\therefore \lim_{x\to 0} f(x)$ স্থিত নহয়।

উদাহৰণ 2: f ফলনটোৰ সংজ্ঞা এনেদৰে দিয়া আছে $f(x)=\begin{cases} x^2 & \text{যদি } x\le 2 \\ 8-2x & x>2 \end{cases}$

নির্ণয় কৰক a) $\lim_{x\to 2+0} f(x)$ b) $\lim_{x\to 2-0} f(x)$

c) $\lim_{x\to 2} f(x)$, যদি থাকে।


সমাধান ঃ দিয়া আছে, $f(x)=\begin{cases} x^2 & \text{যদি } x\le 2 \\ 8-2x & x>2 \end{cases}$

a) $\lim_{x\to 2+0} f(x) = \lim_{x\to 2+0} (8-2x) = 8-4=4$

b) $\lim_{x\to 2-0} f(x) = \lim_{x\to 2-0} x^2 = 2^2 = 4$

c) $\because \lim_{x\to 2+0} f(x) = \lim_{x\to 2-0} = 4$

$\therefore \lim_{x\to 2} f(x)$ স্থিত হয় আৰু ই হ'ল 4.



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ যদি $f(x)=\begin{cases}\dfrac{x-|x|}{x} & , x\neq 0\\ 0 & , x=0\end{cases}$

$\lim\limits_{x\to 0} f(x)$ স্থিত হয়নে নহয় পৰীক্ষা কৰক।

প্রশ্ন ১০ ঃ যদি $f(x)=\begin{cases}5x-4, & 0<x\le 1\\ 4x^2-3x, & 1<x<2\\ 3x^2+4, & x\ge 2\end{cases}$

$\lim\limits_{x\to 1} f(x)$ আৰু $\lim\limits_{x\to 2} f(x)$, যদি আছে, নির্ণয় কৰক।

প্রশ্ন ১১ ঃ নির্ণয় কৰক— $\lim\limits_{x\to 0}\dfrac{1}{1-e^{\frac{1}{x}}}$



২.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- প্রয়োজনীয় প্রামাণিক সীমা ঃ

a) $\lim\limits_{x\to 0}\dfrac{\sin x}{x}=1$

b) $\lim\limits_{x\to\infty}\left(1+\dfrac{1}{x}\right)^x=e$

c) $\lim\limits_{x\to 0}(1+x)^{\frac{1}{x}}=e$

d) $\lim\limits_{x\to 0}\dfrac{x^n-a^n}{x-a}=na^{n-1}\ ;\ a>0$

e) $\lim\limits_{x\to 0}\dfrac{e^x-1}{x}=1$

f) $\lim\limits_{x\to 0}\dfrac{a^x-1}{x}=\log_e a\ ;\ a>0$

- $x \to a$ হ'লে এটা ফলন f(x)-ৰ সীমা স্থিত হয় যদি $\lim_{x \to a-0} f(x)$ আৰু

  $\lim_{x \to a+0} f(x)$ স্থিত আৰু সমান।



২.৫ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to 0} \frac{\sqrt{1+x} - \sqrt{1+x^2}}{x}$

$$= \lim_{x \to 0} \frac{(1+x) - \left(1+x^2\right)}{x\left(\sqrt{1+x} + \sqrt{1+x^2}\right)}$$

$$= \lim_{x \to 0} \frac{1+x-1-x^2}{x\left(\sqrt{1+x} + \sqrt{1+x^2}\right)}$$

$$= \lim_{x \to 0} \frac{x(1-x)}{x\left(\sqrt{1+x} + \sqrt{1+x^2}\right)}$$

$$= \frac{1}{1+1}$$

$$= \frac{1}{2}$$

২নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to 3} \frac{x^5 - 243}{x^3 - 27} = \lim_{x \to 3} \frac{x^5 - 3^5}{x^3 - 3^3}$

$$= \lim_{x \to 3} \frac{\frac{x^5 - 3^5}{x-3}}{\frac{x^3 - 3^3}{x-3}} = \frac{\lim_{x \to 3} \frac{x^5 - 3^5}{x-3}}{\lim_{x \to 3} \frac{x^3 - 3^3}{x-3}}$$

$$= \frac{5 \times 3^4}{3 \times 3^2}$$

$$= 15$$

৩নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to \infty} \frac{4x^3 - 2x^2 + 6}{6x^3 + 5x + 1}$

$$= \lim_{x \to \infty} \frac{4 - \frac{2}{x} + \frac{6}{x^3}}{6 + \frac{5}{x^2} + \frac{1}{x^3}}$$

$$= \lim_{y \to 0} \frac{4 - 2y + 6y^3}{6 + 5y^2 + y^3} \qquad \left[\begin{array}{l} y = \frac{1}{x} \\ \therefore x \to \infty \Rightarrow y \to 0 \end{array}\right]$$

$$= \frac{4 - 0 + 0}{6 + 0 + 0}$$

$$= \frac{2}{3}$$

৪নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to 0} \frac{\sin x^0}{x} = \lim_{x \to 0} \frac{\sin \frac{\pi x}{180}}{x}$

$$= \lim_{x \to 0} \left(\frac{\sin \frac{\pi x}{180}}{\frac{\pi x}{180}} \times \frac{\pi}{180} \right)$$

$$= \frac{\pi}{180} \lim_{\frac{\pi x}{180} \to 0} \frac{\sin \frac{\pi x}{180}}{\frac{\pi x}{180}}$$

$$= \frac{\pi}{180} \times 1$$

$$= \frac{\pi}{180}$$

৫নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to 0} \frac{\log(1+x)}{x}$

$$= \lim_{x \to 0} \frac{1}{x} \left[x - \frac{x^2}{2} + \frac{x^3}{3} - \frac{x^4}{4} + \ldots \infty \right]$$

$$= \lim_{x \to 0} \left[1 - \frac{x}{2} + \frac{x^2}{3} - \frac{x^3}{4} + \ldots \infty \right]$$

$$= 1$$

৬নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to 1} \frac{(2x-3)(\sqrt{x}-1)}{2x^2+x-3}$

$$= \lim_{x \to 1} \frac{(2x-3)(\sqrt{x}-1)}{(2x+3)(x-1)}$$

$$= \lim_{x \to 1} \frac{(2x-3)(\sqrt{x}-1)}{(2x+3)(\sqrt{x}+1)(\sqrt{x}-1)}$$

$$= \lim_{x \to 1} \frac{2x-3}{(2x+3)(\sqrt{x}+1)}$$

$$= \frac{2-3}{(2+3)(1+1)} = -\frac{1}{10}$$

৭নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to 0} \frac{e^{ax}-e^{bx}}{x}$

$$= \lim_{x \to 0} \frac{(e^{ax}-1)-(e^{bx}-1)}{x}$$

$$= \lim_{x \to 0} \frac{e^{ax}-1}{x} - \lim_{x \to 0} \frac{e^{bx}-1}{x}$$

$$= \lim_{x \to 0} \left(\frac{e^{ax}-1}{ax} \times a \right) - \lim_{x \to 0} \left(\frac{e^{bx}-1}{bx} \times b \right)$$

$$= a \lim_{x \to 0} \frac{e^{ax}-1}{ax} - b \lim_{x \to 0} \frac{e^{bx}-1}{bx}$$

$$= a \times 1 - b \times 1$$

$$= a - b$$

৮নং প্রশ্নৰ উত্তৰ ঃ $\lim_{x \to 0} \frac{e^{x}+e^{-x}-2}{x^2}$

$$= \lim_{x \to 0} \frac{(e^{x}+e^{-x})^2}{x^2}$$

$$= \lim_{x \to 0} \left[\frac{(e^{x}-1)-(e^{-x}-1)}{x} \right]^2$$

$$= \lim_{x \to 0} \left[\frac{e^{x}-1}{x} + \frac{e^{-x}-1}{-x} \right]^2$$

$$= (1+1)^2 = 4$$

৯নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x)=\begin{cases}\frac{x-|x|}{x}, & x\neq 0\\ 0, & x=0\end{cases}$

$$\text{L.H.L.}=\lim_{x\to 0-0} f(x)=\lim_{x\to 0-0}\frac{x-|x|}{x}$$

$$=\lim_{x\to 0-0}\frac{x+x}{x} \qquad [\because |x|=-x \text{ যদি } x<0]$$

$$=\lim_{x\to 0-0} 2$$

$$=2$$

$$\text{R.H.L.}=\lim_{x\to 0-0} f(x)=\lim_{x\to 0+0}\frac{x-|x|}{x}$$

$$=\lim_{x\to 0-0}\frac{x-x}{x} \qquad [\because |x|=x \text{ যদি } x>0]$$

$$=0$$

$\therefore$ L.H.L. $\neq$ R.H.L.

$\Rightarrow \lim_{x\to 0} f(x)$ স্থিত নহয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x)=\begin{cases}5x-4, & 0<x\leq 1\\ 4x^2-3x, & 1<x<2\\ 3x^2+4, & x\geq 2\end{cases}$ $x\to 1$-ৰ বাবে

$$\text{L.H.L.}=\lim_{x\to 1-0} f(x)=\lim_{x\to 1+0}(5x-4)=5-4=3$$

$$\text{R.H.L.}=\lim_{x\to 1+0} f(x)=\lim_{x\to 1+0}(4x^2-3x)=4-3=1$$

$\therefore$ L.H.L. $\neq$ R.H.L.

$\therefore \lim_{x\to 0} f(x)$ স্থিত নহয়।

$x\to 2$-ৰ বাবে

$$\text{L.H.L.}=\lim_{x\to 2-0} f(x)=\lim_{x\to 2-0}(4x^2-3x)=4\times 4-3\times 2=10$$

$$\text{R.H.L.}=\lim_{x\to 2+0} f(x)=\lim_{x\to 2+0}(3x^2+4)=3\times 2^2+4=16$$

$\therefore$ L.H.L. $\neq$ R.H.L.

$\therefore \lim_{x\to 2} f(x)$ স্থিত নহয়।

১১নং প্রশ্নৰ উত্তৰ ঃ R.H.L. $= \lim_{x \to 0+0} \frac{1}{1-e^{\frac{1}{x}}}$

$$= \lim_{x \to 0+0} \frac{e^{-\frac{1}{x}}}{e^{-\frac{1}{x}}-1}$$

$$= \frac{0}{0-1}$$

$$= 0$$

$$\text{L.H.L.} = \lim_{x \to 0-0} \frac{1}{1-e^{\frac{1}{x}}} = \frac{1}{1-0} = 1$$

$\therefore$ L.H.L. $\neq$ R.H.L.

$\lim_{x\to 0} \frac{1}{1-e^{\frac{1}{x}}}$ স্থিত নহয়।



২.৬ অধিক জানিবলৈ

1) Gupta, Sudhir (2011) (1st edition): *Basics of Differentential Calculus*; New Delhi: Anmol publication Pvt. Ltd.
2) Habib, Amber (2011) (1st edition): *The Calculus of Finance*; Hyderabad: Universities Press India Pvt. Ltd.
3) Maron, I. A. (1993) (1st edition): *Problems in Calculus of One Variable*; New Delhi: CBS Publishers & Distributors Pvt. Ltd.
4) Sharma, A. K. (2004) (1st edition): *Text Book of Differential Calculus for B.A., B.Sc., B.Com., I.A.S., P.C.S.*; New Delhi: Discovery Publishing House.



২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মান নিৰ্ণয় কৰক ঃ

a) $\lim_{x\to 2} \frac{x^2-5x+6}{x^2+2x-8}$

b) $\lim_{\theta\to 0} \frac{\theta}{\theta+\cos\theta}$

c) $\lim_{x\to 0} \frac{\sqrt{1+2x}-\sqrt{1-3x}}{x}$

d) $\lim_{x\to 0} \frac{a-\sqrt{a^2-x^2}}{x^2}$

e) $\lim_{x\to 0} \frac{x}{\sqrt{x+2}-\sqrt{2-x}}$

প্ৰশ্ন ২ ঃ মান নিৰ্ণয় কৰক ঃ

a) $\lim_{x\to\infty} \frac{2x^3+5x+9}{x^3-7x+3}$

b) $\lim_{x\to\infty} \frac{(2x-3)(3x+5)}{3x^2+1}$

c) $\lim_{x\to\infty} \left(\sqrt{x+1}-1\right)$

প্ৰশ্ন ৩ ঃ তলত দিয়া ফলনবোৰৰ চৰম মানৰ অস্তিত্ব থকা নথকা সম্বন্ধে আলোচনা কৰক ঃ

a) $\lim_{x\to 3} f(x)$ য'ত $f(x) = x^2$ যদি $x > 0$

$= 0$ যদি $x = 0$

$= -x$ যদি $x < 0$

b) $\lim_{x\to 0} \phi(x)$ য'ত $\phi(x) = x^2$ যদি $x < 0$

$= 25$ যদি $x = 1$

$= x^2 + 2$ যদি $x > 1$

প্ৰশ্ন ৪ ঃ মান নিৰ্ণয় কৰক ঃ $\lim_{y\to 1} \frac{y^2-1}{\sqrt{3y+1}-\sqrt{5y-1}}$

প্ৰশ্ন ৫ ঃ মান নিৰ্ণয় কৰক ঃ

a) $\lim_{x\to 0} \frac{(2+x)^4-16}{x}$

b) $\lim_{h\to 1} \frac{h^2+2h-3}{h-1}$

c) $\lim_{y\to 1} \frac{y^2-1}{\sqrt{3y+1}-\sqrt{5y-1}}$

*** ***** ***

অধ্যায় ৩ ঃ ফলনৰ অবিচ্ছিন্নতা

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য

3.2 পৰিচয়

3.3 ফলনৰ অবিচ্ছিন্নতা

3.4 অধ্যায়টোৰ পৰা আমি শিকিলোঁ

3.5 অগ্রগতিৰ খতিয়ান

3.6 অধিক জানিবলৈ

3.7 আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- কোনো বিন্দুত এটা ফলনৰ অবিচ্ছিন্নতা পৰীক্ষা কৰিব পাৰিব।

৩.২ পৰিচয়

অৱকলন গণিত অধ্যয়নৰ বাবে অবিচ্ছিন্নতাৰ ধাৰণা অপৰিহার্য। যদি আমি অবিচ্ছিন্ন ফলন ব্যৱহাৰ নকৰোঁ, ফলন গণিতৰ বহুতো ফলেই সত্য নহয়। সহজাত ধাৰণাৰ পৰা আমি এইটোকে ক'ব পাৰোঁ যে যিবিলাক ফলনৰ লেখ পেঞ্চিলডাল নদঙাকৈয়ে আঁকিব পাৰি, সেইবোৰ অবিচ্ছিন্ন ফলন।

৩.৩ ফলনৰ অবিচ্ছিন্নতা

এটা ফলন এটা বিন্দুত অবিচ্ছিন্ন যদি ফলনটোৰ লেখত সেই বিন্দুত কোনো ভাঙোন নাই। এটা বিন্দুত ফলনৰ অবিচ্ছিন্নতা সেই বিন্দুৰ সমীপত ফলনৰ সীমাৰ প্রকৃতিৰ লগত ঘনিষ্ঠভাৱে জড়িত।

সংজ্ঞা ঃ $x = a$ বিন্দুত এটা ফলন f অবিচ্ছিন্ন বুলি কোৱা হয় যদি কোনো সম্ভাব্য ক্ষুদ্রতম ধনাত্মক সংখ্যা $\in$-ৰ বাবে, আন এটা ধনাত্মক সংখ্যা δ পোৱা যায়, যাতে x-ৰ যিবোৰ মানৰ বাবে $0 < |x - a| < \delta$, $|f(x) - f(a)| < \in$.

সহজ ভাষাত ক'বলৈ হ'লে $x = a$ত এটা ফলন f অবিচ্ছিন্ন হ'বলৈ হ'লে—

$\lim_{x \to a} f(x) = f(a)$ অর্থাৎ, $\lim_{x \to a-0} f(x) = \lim_{x \to a+0} f(x) = f(a)$

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: দেখুৱাওক যে $x = 0$ বিন্দুত $f(x) = |x|$ ফলনটো অবিচ্ছিন্ন।

সমাধান ঃ $f(x) = |x| = \begin{cases} x, & x > 0 \\ 0, & x = 0 \\ -x, & x < 0 \end{cases}$

$$\lim_{x \to 0-0} f(x) = \lim_{x \to 0-0} (-x) = 0$$

$$\lim_{x \to 0+0} f(x) = \lim_{x \to 0+0} x = 0$$

আৰু $f(0) = 0$

$$\therefore \lim_{x \to 0+0} f(x) = f(0) = \lim_{x \to 0-0} f(x)$$

$\therefore$ $x = 0$ বিন্দুত f অবিচ্ছিন্ন।

উদাহৰণ 2: $x = 0$ বিন্দুত অধোলিখিত ফলনটোৰ অবিচ্ছিন্নতা পৰীক্ষা কৰক।

$$f(x) = \begin{cases} \dfrac{e^{\frac{1}{x}} - 1}{e^{\frac{1}{x}} + 1} & x \neq 0 \\ 0, & x = 0 \end{cases}$$

সমাধান ঃ $\lim_{x \to 0+0} f(x) = \lim_{x \to 0+0} \dfrac{e^{\frac{1}{x}} - 1}{e^{\frac{1}{x}} + 1}$

$$= \lim_{x \to 0+0} \frac{1 - e^{-\frac{1}{x}}}{1 + e^{-\frac{1}{x}}}$$

$$= \frac{1-0}{1+0} \qquad \begin{bmatrix} \because x \to 0+0 \\ \therefore e^{-\frac{1}{x}} \to 0 \end{bmatrix}$$

$$\lim_{x \to 0-0} f(x) = \lim_{x \to 0-0} \frac{e^{\frac{1}{x}} - 1}{e^{\frac{1}{x}} + 1} = \frac{0-1}{0+1} = -1$$

$$\therefore \lim_{x \to 0+0} f(x) \neq \lim_{x \to 0-0} f(x)$$

$\therefore$ $x = 0$ বিন্দুত f অবিচ্ছিন্ন নহয়।

উদাহৰণ 3: a, b, c-ৰ মান নির্ণয় কৰক যাতে

$$f(x)=\begin{cases}\dfrac{\sin(a+1)x+\sin x}{x}, & x<0\\ c, & x=0\\ \dfrac{\sqrt{x+bx^2}-\sqrt{x}}{bx\sqrt{x}}, & x>0\end{cases}$$

ফলনটো $x = 0$ বিন্দুত অবিচ্ছিন্ন হয়।

সমাধান ঃ $\lim\limits_{x\to 0+0} f(x) = \lim\limits_{x\to 0} \dfrac{\sqrt{x+bx^2}-\sqrt{x}}{bx\sqrt{x}}$

$$= \lim_{x\to 0} \frac{\sqrt{x}\left(\sqrt{1+bx}-1\right)}{bx\sqrt{x}}$$

$$= \lim_{x\to 0} \frac{\left(\sqrt{1+bx}-1\right)\left(\sqrt{1+bx}+1\right)}{bx\left(\sqrt{1+bx}+1\right)}$$

$$= \lim_{x\to 0} \frac{1+bx-1}{bx\left(\sqrt{1+bx}+1\right)}$$

$$= \lim_{x\to 0} \frac{1}{\sqrt{1+bx}+1} = \frac{1}{2}$$

আকৌ, $\lim\limits_{x\to 0-0} f(x) = \lim\limits_{x\to 0} \dfrac{\sin(a+1)x+\sin x}{x}$

